# প্ৰাকৃতিক সম্পদ

## Chapter – 12

# পৰিৱেশ অধ্যয়ন

**ক্ৰিয়া – কলাপ**

**১। বনজ সম্পদসমূহক তলত দিয়া ধৰণে ভগাওঁ আহা –**

| **উদ্ভিদ** | **প্ৰাণী** |
|---|---|
| **১। বনচোম** | **১। দেওহাঁহ** |

**উত্তৰঃ**

| **উদ্ভিদ** | **প্ৰাণী** |
|---|---|
| ১। বনচোম | ১। দেওহাঁহ |
| ২। শাল | ২। হাতী |
| ৩। চেগুন | ৩। গঁড় |
| ৪। তিতাচপা | ৪। বাঘ |
| ৫। গমাৰী | ৫। ম’হ |
| ৬। বাঁহ – বেত | ৬। হৰিণা |
| | ৭। বান্দৰ |
| | ৮। ধনেশ |
| | ৯। বৰটোকোলা |

**⇒ চিন্তা কৰি লিখা –**

**( ক ) যান – বাহন চলাবলৈ আমাক কি কি ইন্ধন লাগে ?**

**উত্তৰঃ** যান – বাহন চলাবলৈ আমাক পেট্ৰল , ডিজেল আদি ইন্ধন লাগে।

**( খ ) গেছ্ ষ্টোভ জ্বলাবলৈ কি ইন্ধনৰ প্ৰয়োজন ?**


**উত্তৰঃ** গেছ ষ্টোভ জ্বলাবলৈ প্ৰাকৃতিক গেছৰ প্ৰয়োজন ।

**( গ ) কল – কাৰখানা চলাবলৈ কি কি ইন্ধন লাগে ?**


**উত্তৰঃ** কল – কাৰখানা চলাবলৈ কয়লা ব্যৱহাৰ কৰা হয় ।

**ক্ৰিয়া – কলাপ**

**১। কি কি কামত কয়লা ব্যৱহাৰ কৰিব পাৰি ভাবি চাই কাষৰ খালী বাকচত লিখা :**




**উত্তৰঃ**




**⇒ দলত আলোচনা কৰি লিখা –**

**( ক ) বনজ সম্পদে আমাক কি ধৰণে সহায় কৰে ?**

**উত্তৰঃ** বনজ সম্পদে আমাক বহুতো সহায় কৰে ।

( ১ ) হাবিত থকা গছৰ পৰা মূল্যবান কাঠ , খৰি , বাঁহ , বেত আদি পাওঁ ।

( ২ ) কাঠ , বাঁহ , বেতৰ পৰা আমি বিভিন্ন ধৰণৰ আচবাব তৈয়াৰ কৰিব পাৰোঁ । এই আচবাবৰ ব্যৱসায় কৰি আমাৰ বহু লোক আৰ্থিকভাৱে লাভবান হৈছে। গছ – গছনিয়ে বায়ুমণ্ডলৰ কিছু পৰিমাণে প্ৰদূষণো দূৰ কৰে।

**( খ ) খাৰুৱা তেল নহ'লে আমাৰ কি অসুবিধা হ'ব ?**

**উত্তৰঃ** খাৰুৱা তেল নহ'লে আমাৰ বহুতো অসুবিধা হ'ব ।

( ১ ) গাড়ী – মটৰ চলাব নোৱাৰিম ।

( ২ ) ৰন্ধা – বঢ়াৰ কাৰণে আমি গেছ ব্যৱহাৰ কৰিব নোৱাৰিম ।

( ৩ ) কেৰাচিন নাপালে লেম্প – চাকি , স্তোভ ব্যৱহাৰ কৰিব নোৱাৰিম।

( ৪ ) মমবাতি , ভেচলিন , আলকাতৰা , নেপথালিন আদি উৎপাদন কৰিব নোৱাৰিম ।

## অনুশীলনী

**১। উত্তৰ লিখা –**

**( ক ) প্ৰাকৃতিক সম্পদ কাক বোলে ?**

**উত্তৰঃ** আমাৰ পৃথিৱীখন বায়ু , পানী , মাটি , খনিজ পদাৰ্থ , অৰণ্য আৰু বন্যপ্ৰাণীৰে ভৰপুৰ। এইবোৰ প্ৰত্যেকেই একো একোটা সম্পদ । প্ৰকৃতিত পোৱা এই সম্পদবোৰকেই প্ৰাকৃতিক সম্পদ বোলে ।

**( খ ) খনিজ সম্পদ কাক বোলে ?**

**উত্তৰঃ** ভূ – গৰ্ভত পোৱা খাৰুৱা তেল , প্ৰাকৃতিক গেছ , কয়লা , চূণশিল আদি পোৱা যায় । ভূ – গৰ্ভত পোৱা এই সম্পদবোৰকেই খনিজ সম্পদ বোলা হয় ।

**( গ ) অসমৰ খনিজ সম্পদসমূহ কি কি ?**

**উত্তৰঃ** কেৰাচিন , পেট্ৰ'ল , ডিজেল আদি ।

**( ঘ ) অসমক কিয় ‘ পনীয়া সোণৰ ৰাজ্য ‘ বুলি কোৱা হয় ?**

**উত্তৰঃ** অসম খাৰুৱা তেলৰ বাবে ভাৰতৰ ভিতৰতে এখন চহকী ৰাজ্য । সেয়েহে অসমক ‘ পনীয়া সোণৰ ৰাজ্য ‘ বুলি কোৱা হয় ।

**( ঙ ) জলজ সম্পদ কি ?**

**উত্তৰঃ** পানীত থকা উদ্ভিদ আৰু প্ৰাণীসমূহক জলজ সম্পদ বুলি কোৱা হয়। যেনে :- মাছ , কাছ , ঘৰিয়াল ইত্যাদি ।

**( চ ) অসমক কিয় ‘ নদী – মাতৃক দেশ ’ বুলি কোৱা হয় ?**

**উত্তৰঃ** অসমত নদ – নদী বেছি থকাৰ কাৰণে অসমক ‘ নদী মাতৃক দেশ ’ বুলি কোৱা হয়।

**( ছ ) তিনিবিধ বনজ সম্পদৰ নাম লিখা ।**

**উত্তৰঃ** বনচোম , গঁড় , ধনেশ পক্ষী ।

**২। আমি কিয় প্ৰাকৃতিক সম্পদবোৰৰ সদ্ ব্যৱহাৰ কৰিব লাগে ?**

**উত্তৰঃ** সকলো প্ৰাকৃতিক সম্পদেই অতি মূল্যবান। সেয়ে এই সম্পদবোৰ আমি সংৰক্ষণ কৰিব লাগে , যাতে এইবোৰ প্ৰকৃতিৰ বুকুৰ পৰা নিঃশেষ হৈ নাযায়।

**৩। শুদ্ধ উত্তৰটোত ‘ ’ চিন দিয়া –**

**( ক ) আলকেতেৰা কয়লাখনিত পোৱা যায় ।**

**উত্তৰঃ** x

**( খ ) চূণ এবিধ বনজ সম্পদ ।**

**উত্তৰঃ** x

**( গ ) প্ৰাকৃতিক সম্পদৰ আমি সদ্ব্যৱহাৰ কৰিব লাগে ।**

**উত্তৰঃ**

**( ঘ ) অসমৰ কাৰ্বি আংলং জিলাত খাৰুৱা তেল প্ৰচুৰ পৰিমাণে পোৱা যায় ।**

**উত্তৰঃ** x

**( ঙ ) ভূ – গৰ্ভত পোৱা খাৰুৱা তেল পোনে পোনে ব্যৱহাৰৰ বাবে উপযোগী ।**

**উত্তৰঃ** x

**৪। ‘ ক ’ অংশৰ লগত ‘ খ ’ অংশ মিলোৱা –**

| **‘ ক ’** | **‘ খ ’** |
|---|---|
| **কয়লা** | **বনজ সম্পদ** |
| **খাৰুৱা তেল** | **জলজ সম্পদ** |
| **গঁড় , হাতী** | **খনিজ সম্পদ** |
| **পানীত থকা প্ৰাণীসমূহ** | **পনীয়া সোণ** |

**উত্তৰঃ**

| **‘ ক ’** | **‘ খ ’** |
|---|---|
| কয়লা | খনিজ সম্পদ |
| খাৰুৱা তেল | পনীয়া সোণ |
| গঁড় , হাতী | বনজ সম্পদ |

| | |
|---|---|
| পানীত থকা প্ৰাণীসমূহ | জলজ সম্পদ |